**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন : ২৭৪**
**উত্তৰ দিয়া তাৰিখ : ১৩/০৭/২০২৬**
**বিষয় : বঙাইগাঁৱৰ সম্ভাৱিত ইক’ পাৰ্কত লাইট এণ্ড চাউণ্ডৰ প্ৰাক্কলনৰ প্ৰস্তাৱ।**
**বিধায়িকা : শ্ৰীমতী দীপ্তিময়ী চৌধুৰী :**

মাননীয় লোক নিৰ্মাণ (গৃহ ও ৰাষ্ট্ৰীয় ঘাইপথ সমূহ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

**(ক)** বঙাইগাঁৱত ২৭.০৭.২০২৩ তাৰিখে অনুষ্ঠিত জ্যেষ্ঠ আৰক্ষী অধীক্ষক সকলৰ সম্মিলনত অংশ গ্ৰহণ কৰিবলৈ আহোতে ভ্ৰমণ কৰাৰ সময়ত মুখ্যমন্ত্ৰী মহোদয়ে বঙাইগাঁৱৰ প্ৰস্তাৱিত ইক’ পাৰ্কত লাইট এণ্ড চাউণ্ডৰ ব্যৱস্থা কৰিবলৈ লোক নিৰ্মাণ বিভাগক পৰিকল্পনা আৰু প্ৰাক্কলন প্ৰস্তুত কৰিবলৈ দিয়া বিষয়টো অৱগত নে?

**(খ)** মুখ্যমন্ত্ৰীয়ে দিয়া প্ৰতিশ্ৰুতি অনুসৰি লোক নিৰ্মাণ বিভাগৰ বঙাইগাঁও জিলা টেৰিটৰিয়েল বিল্ডিং ডিভিজনৰ কাৰ্য্যবাহী অভিযন্তাই যোৱা ২৪/০১/২৫ তাৰিখে Memo No. PWD/BNG/ ESTIMATE / 38 /2024-25/1072ৰ দ্বাৰা প্ৰস্তাৱিত ইক’ পাৰ্কৰ লাইট এণ্ড চাউণ্ডৰ সুবিধা কৰি দিবলৈ ১৪,১৬,৮৪,০০০.০০ টকাৰ কামৰ পৰিকল্পনা আৰু প্ৰাক্কলন প্ৰস্তুত কৰি লোক নিৰ্মাণ বিভাগৰ নলবাৰীৰ বিল্ডিং চাৰ্কোল অধীক্ষক অভিযন্তাক দাখিল কৰাৰ বিষয়ে অৱগত নে?

**(গ)** যদি অৱগত, তেন্তে দাখিল কৰা প্ৰস্তাৱটো বৰ্তমানে কি অৱস্থাত আছে?

**উত্তৰ**

মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ে উত্তৰ দিব:

**(ক)** বঙাইগাঁৱৰ প্ৰস্তাৱিত ইক’ পাৰ্কত লাইট এণ্ড চাউণ্ডৰ ব্যৱস্থা কৰিবলৈ লোক নিৰ্মাণ বিভাগক পৰিকল্পনা আৰু প্ৰাক্কলন প্ৰস্তুত কৰিবলৈ দিয়াৰ বিষয়ে এই বিভাগ অৱগত।

**(খ)** লোক নিৰ্মাণ বিভাগৰ বঙাইগাঁও জিলা ক্ষেত্ৰীয় গৃহ সংমণ্ডলৰ কাৰ্য্যবাহী অভিযন্তাই যোৱা ২৪/০১/২৫ তাৰিখে প্ৰস্তাৱিত ইক’ পাৰ্কৰ লাইট এণ্ড চাউণ্ডৰ সুবিধা কৰি দিবলৈ ১৪,১৬,৮৪,০০০.০০ টকাৰ কামৰ পৰিকল্পনা আৰু প্ৰাককলন প্ৰস্তুত কৰি লোক নিৰ্মাণ বিভাগৰ নলবাৰী গৃহ চক্ৰৰ অধীক্ষক অভিযন্তাৰ জৰিয়তে দাখিল কৰাৰ বিষয়ে বিভাগ অৱগত হয়। এইক্ষেত্ৰত উল্লেখনীয় যে, কিছু কাৰিকৰী পৰ্যবেক্ষণৰ যথাযথ সংলগ্নকৰণৰ বাবে উক্ত প্ৰাককলনটো পুনৰবাৰ বিবেচনাৰ বাবে অনুৰোধ কৰা হৈছিল। সেইমৰ্মে প্ৰাককলনটো সংশোধন কৰি পুনৰবাৰ ১৪,৫৭,৩৩,০০০.০০ টকাৰ সংশোধিত মূল্য নিৰ্ধাৰণেৰে কাৰ্যবাহী অভিযন্তাৰ জৰিয়তে প্ৰেৰণ কৰিছে।

**(গ)** দাখিল কৰা ১৪.৫৭ কোটি টকাৰ প্ৰাককলনটো কিছু কাৰিকৰী পৰ্যবেক্ষণৰ যথাযথ সংলগ্নকৰণৰ বাবে অনুৰোধ জনোৱাৰ পিছত পুনৰবাৰ ১৪,৫৭,৩৩,০০০.০০ টকাৰ সংশোধিত প্ৰাককলন এটা ২০২৬ -২৭ বিত্ত বৰ্ষত অনুমোদনৰ বাবে বিবেচনাধীন হৈ আছে।

**বি: দ্ৰ: (মুখ্য অভিযন্তা (গৃহ), অসমৰ পৰা সংগ্ৰহীত তথ্য সমূহ NeVA portal দাখিল কৰা হৈছে)**

*********